# দুধনৈ মহাবিদ্যালয়ত সংবিধান দিৱস উদ্‌যাপন

## ‘সাংবিধানিক মূল্যবোধ আৰু ভাৰতবৰ্ষৰ ন্যায়পালিকা’ শীৰ্ষক বিষয়ত আলোকপাত

দৈনন্দিন বাৰ্তাৰ সেৱা, দুধনৈ, ২৭ নৱেম্বৰ ঃ দুধনৈ মহাবিদ্যালয়ৰ ইতিহাস বিভাগ আৰু ৰাজনীতি বিভাগৰ উদ্যোগত ২৬ নৱেম্বৰত ‘সংবিধান দিৱস’ উদ্‌যাপন কৰা হয়। এই উপলক্ষে এটি বক্তৃতানুষ্ঠানৰ আয়োজন কৰা হয়। ইতিহাস বিভাগৰ সহকাৰী অধ্যাপক ডঃ সন্দীপন পাঠকে আঁত ধৰা অনুষ্ঠানটিৰ আৰম্ভণিতে ভাৰতৰ সংবিধানৰ অন্যতম প্ৰণেতা ডঃ বি আৰ আম্বেদকাৰৰ প্ৰতিচ্ছবিত মাল্যাৰ্পণ আৰু বন্তিপ্ৰজ্বলন কৰে মহাবিদ্যালয়ৰ অধ্যক্ষ ডঃ ললিত চন্দ্ৰ ৰাভাই। লগতে উপস্থিত সকলোৱে ভাৰতীয় সংবিধানৰ প্ৰস্তাৱনা পাঠ কৰে। আদৰণী ভাষণ প্ৰদান কৰে অধ্যক্ষ ডঃ ললিত চন্দ্ৰ ৰাভাই। বক্তৃতানুষ্ঠানত অধ্যাপক-অধ্যাপিকাৰ লগতে শতাধিক ছাত্ৰ-ছাত্ৰীয়ে অংশগ্ৰহণ কৰি অনুষ্ঠানটিক সাফল্যমণ্ডিত কৰি তোলে। এই অনুষ্ঠানত সমল ব্যক্তি হিচাবে উপস্থিত থাকি গোৱালপাৰা মহাবিদ্যালয়ৰ ৰাজনীতি বিজ্ঞান বিভাগৰ সহকাৰী অধ্যাপক ডঃ জয়ন্ত কুমাৰ ব্ৰহ্মাই ‘সাংবিধানিক মূল্যবোধ আৰু ভাৰতবৰ্ষৰ ন্যায়পালিকা’ শীৰ্ষক বিষয়ৰ ওপৰত আলোকপাত কৰে। ডঃ ব্ৰহ্মাই ভাৰতীয় সংবিধানৰ ইতিহাসৰ বিষয়েও ব্যাখ্যা কৰি সাম্প্ৰতিক সময়ত কিদৰে সাংবিধানিক মূল্যবোধসমূহৰ প্ৰতি ভাবুকি আহি পৰিছে সেই সম্পৰ্কে নিজৰ বক্তব্য দাঙি ধৰে। সমল ব্যক্তি হিচাবে তেওঁ আৰু উল্লেখ কৰি কয় যে ভাৰতীয় গণতন্ত্ৰৰ সুৰক্ষাৰ বাবে ন্যায়পালিকাৰ স্বাধীনতাৰ লগতে নাগৰিকৰ বাক্-স্বাধীনতা আৰু মত প্ৰকাশৰ অধিকাৰ অটুট থকাটোও অতি প্ৰয়োজন। ভাৰতবৰ্ষৰ সংবিধানত মহাত্মা গান্ধীৰ চিন্তা আৰু দৰ্শনৰ প্ৰতিফলনৰ বিষয়তো গুৰুত্ব আৰোপ কৰি বৰ্তমান সমাজত গান্ধীৰ দৰ্শনৰ প্ৰয়োজনীয়তাৰ দিশতো ডঃ জয়ন্ত কুমাৰ ব্ৰহ্মাই মন্তব্য আগবঢ়ায়। উপস্থিত অধ্যাপক-অধ্যাপিকাৰ লগতে ছাত্ৰ-ছাত্ৰীসকলে অৱতাৰণা কৰা প্ৰশ্নসমূহৰ বিষয়েও পৰ্যালোচনা আৰু দৃষ্টিভঙ্গী দাঙি ধৰে সমল ব্যক্তিগৰাকীয়ে। অনুষ্ঠানৰ শেষত ভাৰতীয় সংবিধানৰ প্ৰতি সন্মান জনাই উপস্থিত সকলোৱে ৰাষ্ট্ৰীয় সংগীত পৰিৱেশন কৰে।